ভাৰত চৰকাৰ
বিধি আৰু ন্যায় মন্ত্ৰালয়

# অভিভাৱক আৰু প্ৰাতিপাল্য অধিনিয়ম, ১৮৯০

(১৮৯০ ৰ ৮ নং অধিনিয়ম)

[১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান]

# The Guardians And Wards Act, 1890

(Act No. 8 of 1890)

[As on the 1st April, 1990]

ভাৰত চৰকাৰৰ হৈকে, অসম চৰকাৰ (বিধান বিভাগ) ৰ দ্বাৰা প্ৰকাশিত আৰু
অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী - ২১

# পাতনি

১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান অভিভাৱক আৰু প্ৰতিপাল্য অধিনিয়ম, ১৮৯০ (১৮৯০ৰ ৮ নং)ৰ এই সংস্কৰণত এই অধিনিয়মৰ অসমীয়াত প্ৰাধিকৃত অনুবাদ আছে আৰু এই অসমীয়া অনুবাদ ৭/৯/১৯৯০ তাৰিখৰ ভাৰতৰ ৰাজপত্ৰ, অসাধাৰণ, ভাগ—৬, অনুভাগ—১, নং ১, খণ্ড ১ৰ পৃষ্ঠা৪৮ৰ পৰা ৬৯ত প্ৰকাশিত হৈছিল ।

প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে অসমীয়াত এই প্ৰাধিকৃত অনুবাদ প্ৰকাশ কৰা হৈছিল আৰু এনেদৰে প্ৰকাশ হোৱাত অসমীয়াত এই অধিনিয়মৰ প্ৰাধিকৃত পাঠৰূপে গণ্য হব ।

# PREFACE

This edition of the Guardians and Wards Act. 1890 (8 of 1890) as on the 1st April, 1990 contains the authorised translation of that Act in Assamese and the same was published in the Gazette of India, Extraordinary, part VI, Section 1, No.1 Vol. 1 dated 7th September, 1990 on Pages 48 to 69.

This authorised translation in Assamese was published under the Authority of the President under clause (a) of section 2 of the Authoritative Texts (Central Laws) Act, 1973 and on such publication, it became the authoritative texts of the Act in Assamese.

New Delhi
Date 24-11-90

V. S. RAMA DEVI,
Secretary to the Govt. of India.

## সংশোধনী অধিনিয়মবোৰ আৰু বিধি অনুকূলন আদেশবোৰৰ তালিকা।

১। চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ (১৯০৮ চনৰ ৫ নং অধিনিয়ম)।

২। অভিভাৱক আৰু প্ৰতিপাল্য (সংশোধন) অধিনিয়ম, ১৯২৬ (১৯২৬ চনৰ ৪নং অধিনিয়ম)।

৩। অভিভাৱক আৰু প্ৰতিপাল্য (সংশোধন) অধিনিয়ম, ১৯২৯ (১৯২৯ চনৰ ১৭ নং অধিনিয়ম)।

৪। ভাৰত চৰকাৰ (ভাৰতীয় বিধি অনুকূলন) আদেশ, ১৯৩৭।

৫। নিৰসন অধিনিয়ম, ১৯৩৮ (১৯৩৮ চনৰ ১ নং অধিনিয়ম)।

৬। ভাৰতীয় স্বাধীনতা (কেন্দ্ৰীয় অধিনিয়ম আৰু অধ্যাদেশ অনুকূলন) আদেশ, ১৯৪৮।

৭। নিৰসন আৰু সংশোধনী অধিনিয়ম, ১৯৪৯ (১৯৪৯ চনৰ ৪০ নং অধিনিয়ম)।

৮। বিধি অনুকূলন আদেশ, ১৯৫০।

৯। ভাগ 'খ' ৰাজ্যসমূহ (বিধি) অধিনিয়ম, ১৯৫১ (১৯৫১ চনৰ ৩ নং অধিনিয়ম)।

১০। পণ্ডিচেৰী (বিধি বিস্তাৰণ) অধিনিয়ম, ১৯৬৮ (১৯৬৮ চনৰ ২৬ নং অধিনিয়ম)।

## অভিভাৱক আৰু প্ৰতিপাল্য অধিনিয়ম, ১৮৯০

### ধাৰাসমূহৰ ক্ৰম

### প্ৰথম অধ্যায়

#### প্ৰাৰম্ভিক

ধাৰাসমূহ


১। নাম, বিস্তাৰ আৰু প্ৰাৰম্ভ।

২। [নিৰ্বাসিত]

৩। প্ৰতিপাল্য অধিকৰণবোৰৰ আৰু চনদ প্ৰাপ্ত উচ্চ ন্যায়ালয়বোৰৰ ক্ষেত্ৰাধিকাৰৰ ব্যাবৃত্তি।

৪। পৰিভাষা।

৪ ক। অধীনস্থ ন্যায়িক পদাধিকাৰী সকলক ক্ষেত্ৰাধিকাৰ প্ৰদান আৰু তেনে পদাধিকাৰীসকললৈ কাৰ্যবাহীবোৰ হস্তান্তৰ কৰাৰ ক্ষমতা।


### দ্বিতীয় অধ্যায়

#### অভিভাৱকৰ নিযুক্তি আৰু ঘোষণা


৫। [নিৰ্বাসিত]

৬। আন আন ক্ষেত্ৰত নিযুক্তি দিয়া ক্ষমতাৰ ব্যাবৃত্তি।

৭। অভিভাৱকত্ব সম্বন্ধে ন্যায়ালয়ৰ আদেশ দিয়াৰ ক্ষমতা।

৮। আদেশৰ বাবে আবেদন কৰিবলৈ হকদাৰ ব্যক্তিসকল।

৯। আবেদনপত্ৰ গ্ৰহণ কৰিবলৈ ক্ষেত্ৰাধিকাৰ থকা ন্যায়ালয়।

১০। আবেদনপত্ৰৰ প্ৰপত্ৰ।

১১। আবেদনপত্ৰ গ্ৰহণকৰণত অৱলম্বনীয় প্ৰক্ৰিয়া।

১২। নাবালকক হাজিৰ কৰাই দিবৰ বাবে অন্তৰ্বৰ্তী আদেশ দিবৰ আৰু নাবালকৰ শৰীৰ আৰু সম্পত্তিৰ অন্তঃকালীন ৰক্ষণাবেক্ষণৰ আদেশ দিয়াৰ ক্ষমতা।

১৩। আদেশ দিয়াৰ পূৰ্বে সাক্ষ্যৰ শুনানি।

১৪। ভিন ভিন ন্যায়ালয়ত একে সময়তে উপস্থাপিত কাৰ্যবাহীবোৰ।

১৫। কেইবাজনো অভিভাৱকৰ নিযুক্তি বা ঘোষণা।

১৬। ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰৰ বাহিৰত থকা সম্পত্তিৰ বাবে অভিভাৱক নিযুক্তি বা ঘোষণা ।

১৭। অভিভাৱক নিযুক্তি কৰোতে ন্যায়ালয়ে বিবেচনা কৰিবলগীয়া বিষয়বোৰ ।

১৮। সমাহৰ্তাজনক পদৰ আধাৰত অভিভাৱক নিযুক্তি বা ঘোষণা ।

১৯। কোনো কোনো ক্ষেত্ৰত ন্যায়ালয়ৰ দ্বাৰা অভিভাৱক নিযুক্তি কৰিব লগা নহয় ।

## তৃতীয় অধ্যায়

### অভিভাৱকৰ কৰ্তব্য, অধিকাৰ আৰু দায়িত্ব

#### সাধাৰণ

২০। অভিভাৱকৰ প্ৰতিপাল্যজনৰ সৈতে বিশ্বাসিক সম্বন্ধ ।

২১। অভিভাৱক ৰূপে কাৰ্য কৰিবলৈ নাবালকৰ সামৰ্থ্য ।

২২। অভিভাৱকৰ পাৰিশ্ৰমিক ।

২৩। অভিভাৱক স্বৰূপে থকা সমাহৰ্তাজনৰ নিয়ন্ত্ৰণ ।

২৪। শৰীৰৰ অভিভাৱকৰ কৰ্তব্যসমূহ ।

২৫। প্ৰতিপাল্যজনৰ অভিৰক্ষাৰ ওপৰত অভিভাৱকজনৰ হক ।

২৬। ক্ষেত্ৰাধিকাৰৰ পৰা প্ৰতিপাল্যজনক অপসাৰণ কৰা ।

#### সম্পত্তিৰ অভিভাৱক

২৭। সম্পত্তিৰ অভিভাৱকৰ কৰ্তব্য ।

২৮। ইচ্ছাপত্ৰৰ দ্বাৰা নিযুক্ত হোৱা অভিভাৱকৰ ক্ষমতা ।

২৯। ন্যায়ালয়ৰ দ্বাৰা সম্পত্তিৰ বাবে নিযুক্ত বা ঘোষিত অভিভাৱকৰ পৰিসীমা ।

৩০। ধাৰা ২৮ বা ধাৰা ২৯ উলংঘন কৰি কৰা হস্তান্তৰ কাৰ্যৰ বাতিলকৰণীয়তা ।

৩১। ধাৰা ২৯ মতে হস্তান্তৰ কৰিবলৈ অনুমতি দিয়া সম্বন্ধে পদ্ধতি ।

৩২। ন্যায়ালয়ৰ দ্বাৰা নিযুক্ত বা ঘোষিত সম্পত্তিৰ অভিভাৱকৰ ক্ষমতাবোৰৰ পৰিৱৰ্তন ।

৩৩। প্ৰতিপাল্যজনৰ সম্পত্তিৰ ব্যৱস্থাপন কৰাৰ বাবে ন্যায়ালয়ৰ ৰায় লবলৈ তেনেকৈ নিযুক্ত বা ঘোষিত হোৱা অভিভাৱকজনৰ আবেদন কৰাৰ অধিকাৰ ।

৩৪। সম্পত্তিৰ বাবে ন্যায়ালয়ৰ দ্বাৰা নিযুক্ত বা ঘোষিত অভিভাৱকৰ ওপৰত আৰোপিত বাধ্যবাধকতাবোৰ ।

৩৪ ক। হিচাপ পৰীক্ষাৰ নিমিত্তে পাৰিশ্ৰমিক দিয়াৰ ক্ষমতা ।

৩৫। যিক্ষেত্ৰত প্ৰশাসন-বন্ধপত্ৰ লোৱা হৈছিল তেনেক্ষেত্ৰত অভিভাৱকৰ বিৰুদ্ধে বাদ।

৩৬। যিক্ষেত্ৰত প্ৰশাসন-বন্ধপত্ৰ লোৱা হোৱা নাছিল তেনে ক্ষেত্ৰত অভিভাৱকৰ বিৰুদ্ধে বাদ।

৩৭। ন্যাসী হিচাপে অভিভাৱকৰ সাধাৰণ দায়িত্ব।

অভিভাৱকত্বৰ অৱসান

৩৮। যুটীয়া অভিভাৱকসকলৰ মাজত উত্তৰজীৱিতাধিকাৰ।

৩৯। অভিভাৱকৰ অপসাৰণ।

৪০। অভিভাৱকৰ বিমুক্তি।

৪১। অভিভাৱকৰ প্ৰাধিকাৰ অন্ত হোৱা।

৪২। মৃত, বিমুক্ত বা অপসাৰিত অভিভাৱকৰ উত্তৰাধিকাৰী নিযুক্তি।

## <u>চতুৰ্থ অধ্যায়</u>

অনুপূৰক উপবন্ধ

৪৩। অভিভাৱকসকলৰ আচৰণ বা কাৰ্যবাহীবোৰ বিনিয়মন কৰাৰ বাবে আদেশ আৰু সেই আদেশ বলবৎকৰণ।

৪৪। ক্ষেত্ৰাধিকাৰৰ পৰা প্ৰতিপাল্যক অপসাৰণ কৰাৰ বাবে দণ্ড।

৪৫। অবাধ্যতাচৰণ কৰাৰ বাবে দণ্ড।

৪৬। সমাহৰ্তাসকল আৰু অধীনস্থ ন্যায়ালয়সমূহৰ দ্বাৰা প্ৰতিবেদন।

৪৭। আদেশবোৰ আপীলযোগ্য।

৪৮। আন আন আদেশৰ চূড়ান্ততা।

৪৯। খৰছ।

৫০। নিয়ম প্ৰণয়ন কৰিবলৈ উচ্চ ন্যায়ালয়ৰ ক্ষমতা।

৫১। ন্যায়ালয়ৰ দ্বাৰা ইতিপূৰ্বে নিযুক্ত হোৱা অভিভাৱকসকলৰ ক্ষেত্ৰত এই অধিনিয়মৰ প্ৰযোজ্যতা।

৫২। [নিৰসিত]

৫৩। [নিৰসিত]

৫৪। [নিৰসিত]

—÷—

# অভিভাৱক আৰু প্ৰতিপাল্য অধিনিয়ম, ১৮৯০

(১৮৯০ চনৰ ৮ নং অধিনিয়ম)[1]

**(১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান)**

[১৮৯০ চনৰ ২১ মাৰ্চ]

অভিভাৱক আৰু প্ৰতিপাল্য সম্পৰ্কীয় বিধি একীকৃত কৰিবলৈ আৰু সংশোধন কৰিবলৈ প্ৰণয়ন কৰা এখনি অধিনিয়ম।

যিহেতু অভিভাৱক আৰু প্ৰতিপাল্য সম্পৰ্কীয় বিধি একীকৃত আৰু সংশোধন কৰাটো সমীচীন, সেইবাবে এতদ্দ্বাৰা নিম্নলিখিত ৰূপত অধিনিয়মিত কৰা হৈছেঃ

---

১। উদ্দেশ্য আৰু কাৰণবোৰৰ বিবৃতিৰ বাবে ১৮৮৬ চনৰ ভাৰতৰ ৰাজপত্ৰৰ পঞ্চম খণ্ডৰ ৭৭ পৃঃ চাওক;

প্ৰৱৰ সমিতিৰ প্ৰতিবেদনৰ বাবে ১৮৯০ চনৰ সেই ৰাজপত্ৰৰেই পঞ্চম খণ্ডৰ ৭৭ পৃ: চাওঁক আৰু পৰিষদত হোৱা বিতৰ্কবোৰৰ বাবে ১৮৮৬ চনৰ সেই ৰাজপত্ৰৰেই পৰিশিষ্ট ৪১৯ আৰু ৬৬৬ পৃঃ আৰু ১৮৯০ চনৰ সেই ৰাজপত্ৰৰেই ষষ্ঠ খণ্ডৰ ৩৩ আৰু ৪৫ পৃ: চাওঁক।

এই অধিনিয়মখন চাওঁতাল পৰগণা ব্যৱস্থাপন বিনিয়মৰ (১৮৭২ চনৰ ৩ নং) ৩ ধাৰাৰ দ্বাৰা চাওঁতাল পৰগণাত বলবৎ হব বুলি ঘোষিত হৈছে, খোণ্ডমল জিলাত খোণ্ডমল বিধি বিনিয়মৰ ৩ ধাৰা (১৯৩৬ চনৰ ৪ নং অধিনিয়ম) আৰু অনুসূচীৰ দ্বাৰা বলবৎ হব বুলি ঘোষিত হৈছে, আৰু অঙ্গুল বিধি বিনিয়মৰ (১৯৩৬ চনৰ ৫ নং অধিনিয়ম) ৩ ধাৰা আৰু অনুসূচীৰ দ্বাৰা বলবৎ হব বুলি ঘোষিত হৈছে।

গঞ্জাম আৰু বিশাখাপট্টমৰ অনুসূচিত জিলাবোৰত ১৮৭৪ চনৰ অনুসূচিত জিলা অধিনিয়মৰ (১৮৭৪ চনৰ ১৪ নং অধিনিয়ম) ৩ (খ) ধাৰা মতে দিয়া অধিসূচনাৰ দ্বাৰা এইখন অধিনিয়ম বলবৎ নহয় বুলি ঘোষিত হৈছে, এই বিষয়ে ১৮৯৮ চনৰ ভাৰতৰ ৰাজপত্ৰৰ প্ৰথম খণ্ড ৮৭২ পৃ: চাওঁক।

মাদ্ৰাজ ৰাজ্যত অৱস্থিত আংশিকৰূপে বহিৰ্ভূত অঞ্চলবোৰৰ যিবোৰ অংশত ১৯৪০ চনৰ মাদ্ৰাজ (আংশিকৰূপে বহিৰ্ভূত অঞ্চল) অভিভাৱক আৰু প্ৰতিপাল্য বিনিয়মৰ (মাদ্ৰাজ ১৯৪০ চনৰ ৬ বিনিয়ম) দ্বাৰা এই অধিনিয়মখনৰ উপবন্ধবোৰ বলবৎ হৈ থকা নাই সেই অংশবোৰত আৰু ১৯৪১ চনৰ বেৰাৰ আইন বিধিৰ (১৯৪১ চনৰ ৪ নং) দ্বাৰা বেৰাৰত এই অধিনিয়মখন সম্প্ৰসাৰিত কৰা হৈছে।

১৯৪৩ চনৰ কোৰাপুট অভিভাৱক আৰু প্ৰতিপাল্য বিনিয়মৰ (উৰিষ্যা ১৯৪৩ চনৰ ৭ বিনিয়ম) দ্বাৰা কোৰাপুট জিলাতো এই অধিনিয়মখন কিছু পৰিমাণে সালসলনি কৰি সম্প্ৰসাৰিত কৰা হৈছে।

পণ্ডিচেৰী (বিধি সম্প্ৰসাৰণ) অধিনিয়ম, (১৯৬৮ৰ ২৬ নং)ৰ দ্বাৰা এইঅধিনিয়ম নিম্নোক্ত উপবন্ধ সাপেক্ষে পণ্ডিচেৰী সংঘ ৰাজ্যক্ষেত্ৰলৈ সম্প্ৰসাৰিত কৰা হৈছে:

'পন্তুৰ, এই অধিনিয়মৰ কোনো কথাই পণ্ডিচেৰী সংঘ ৰাজ্যক্ষেত্ৰৰ বেনোচাঁ সকলৰ ক্ষেত্ৰত প্ৰয়োগ নহব।"

১৯৫৬ চনৰ হিন্দু নাবালকত্ব আৰু অভিভাৱক অধিনিয়ম, ১৯৫৬ (১৯৫৬ চনৰ ৩২ নং অধিনিয়ম) ২ ধাৰাৰ দ্বাৰা এই অধিনিয়মখন অনুপূৰিত হৈছে।

# প্ৰথম অধ্যায়

## প্ৰাৰম্ভিক

**নাম, বিস্তাৰ আৰু প্ৰাৰম্ভ।**

১। (১) এই অধিনিয়মখন, অভিভাৱক আৰু প্ৰতিপাল্য অধিনিয়ম, ১৮৯০ নামে অভিহিত হ'ব।

(২) ইয়াৰ বিস্তাৰ [১][ জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ বাহিৰে ] XX [২] XXX [৩] সমগ্ৰ ভাৰততে হ'ব।

(৩) এই অধিনিয়ম, ১৮৯০ চনৰ জুলাই মাহৰ পহিলা তাৰিখৰ পৰা বলবৎ হ'ব।

২। [নিৰসিত] ১৯৩৮ চনৰ নিৰসন অধিনিয়ম (১৯৩৮ৰ ১ নং অধিনিয়ম) ২ ধাৰা আৰু অনুসূচীৰ দ্বাৰা নিৰসিত।

**প্ৰতিপাল্য অধিকৰণ বোৰৰ আৰু চনদ্ প্ৰাপ্ত উচ্চ ন্যায়ালয়বোৰৰ ক্ষেত্ৰাধিকাৰৰ ব্যাবৃত্তি।**

৩। [৪][ক্ষমতাযুক্ত কোনো বিধান মণ্ডলৰ, কোনো প্ৰাধিকাৰীৰ বা তেনে কোনো ব্যক্তিৰ] দ্বাৰা কোনো প্ৰতিপাল্য অধিকৰণ সম্পৰ্কে [৫][এই অধিনিয়মখন বিস্তৃত থকা কোনো ৰাজ্যত] ইয়াৰ পূৰ্বে আৰু ইয়াৰ পিছত বিধিবদ্ধ হোৱা প্ৰতিখন অধিনিয়ম সাপেক্ষে এই অধিনিয়মখন পঠিত হব; আৰু এই অধিনিয়মখনত থকা কোনো কথাই কোনো প্ৰতিপাল্য অধিকৰণৰ ক্ষেত্ৰাধিকাৰ বা প্ৰাধিকাৰৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰা বুলি বা সেইবোৰৰ অল্পীকৰণ কৰা বুলি নাইবা [৬][কোনো উচ্চ ন্যায়ালয়ৰ] [৭][ XX ] হাতত থকা ক্ষমতা কাঢ়ি লোৱা বুলি অৰ্থ নকৰিব।

---

১। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ৩ ধাৰা আৰু অনুসূচীৰ দ্বাৰা "ভাগ-খৰ ৰাজ্যবোৰৰ বাহিৰে" এই কথাখিনিৰ পৰিৱৰ্তে প্ৰতিষ্ঠাপিত।

২। ১৯৪৮ চনৰ বিধি অনুকূলন আদেশৰ দ্বাৰা "বৃটিছ বেলুচিস্তানক সামৰিলৈ" কথাখিনি নিৰসিত কৰা হৈছে।

৩। ১৯৪৯ চনৰ ৪০ নং অধিনিয়মৰ ৩ ধাৰা আৰু দ্বিতীয় অনুসূচীৰ দ্বাৰা "আৰু" শব্দটো লোপ কৰা হৈছে।

৪। ১৯৩৭ চনৰ অনুকূলন আদেশৰ দ্বাৰা" স-পৰিষদ মহাৰাজ্যপাল নাইবা কোনো স-পৰিষদ ৰাজ্যপাল বা উপৰাজ্যপালৰ" পৰিৱৰ্তে প্ৰতিষ্ঠাপিত।

৫। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ৩ ধাৰা আৰু অনুসূচীৰ দ্বাৰা "ভাগ 'ক' ৰাজ্যসমূহ আৰু ভাগ 'গ' ৰাজ্যসমূহৰ" পৰিৱৰ্তে প্ৰতিষ্ঠাপিত।

৬। ১৯৩৭ চনৰ অনুকূলন আদেশৰ দ্বাৰা "ষ্টেটিউট ২৪ আৰু ২৫ ভিক্টোৰিয়া অধ্যায় ১০৪ (ভাৰতত হাইকোৰ্ট অৱ জুডিকেচাৰ' স্থাপন কৰিবলৈ এখন অধিনিয়ম)ৰ অধীনত স্থাপিত কোনো উচ্চ ন্যায়ালয়"ৰ পৰিৱৰ্তে প্ৰতিষ্ঠাপিত।

৭। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ৩ ধাৰা আৰু অনুসচীৰ দ্বাৰা "ভাগ 'ক' ৰাজ্যসমূহত আৰু ভাগ 'খ' ৰাজ্যসমূহত স্থাপিত হোৱা" কথাষাৰ লোপ কৰা হৈছে।

পৰিভাষা। ৪। এই অধিনিয়মখনৰ বিষয়বস্তু বা প্ৰসঙ্গত বিপৰীত অৰ্থ নাথাকিলে এই অধিনিয়মখনত,-

(১) 'নাবালক' মানে এনে কোনো এজন ব্যক্তিক বুজায় যিয়ে ১৮৭৫ চনৰ ভাৰতীয় প্ৰাপ্তবয়স্কতা অধিনিয়মৰ উপবন্ধবোৰৰ অধীনত বয়স্কতা লাভ কৰা নাই বুলি গণ্য কৰা হয়; ১৮৭৫ৰ ৯ নং

(২) 'অভিভাৱক" মানে কোনো এজন নাবালকৰ শৰীৰৰ বা সম্পত্তিৰ নাইবা শৰীৰ আৰু সম্পত্তি উভয়ৰেই তত্বাৱধান লোৱা কোনো ব্যক্তি;

(৩) "প্ৰতিপাল্য' মানে এনে কোনো এজন নাবালক যাৰ শৰীৰ বা সম্পত্তিৰ নাইবা উভয়ৰেই নিমিত্তে এজন অভিভাৱক আছে;

(৪) 'জিলা ন্যায়ালয়' মানে ক'ড অফ্ চিভিল প্ৰচিডীয়াৰত[১] সেই শব্দটোৰ যিটো অৰ্থ নিৰ্দ্ধাৰণ কৰি দিয়া হৈছে সেইটোৰেই আৰু সাধাৰণ প্ৰাৰম্ভিক চিভিল ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰা কোনো উচ্চ ন্যায়ালয়ো ইয়াৰ অন্তৰ্ভুক্ত হৈছে; ১৮৮২ৰ ১৪ নং

[২][(৫) 'ন্যায়ালয়' মানে---

(ক) কোনো এজন ব্যক্তিক অভিভাৱক নিযুক্ত বা ঘোষিত কৰাৰ আদেশ দিবৰ নিমিত্তে এই অধিনিয়মৰ অধীনত দিয়া কোনো আবেদন পত্ৰ গ্ৰহণ কৰিবলৈ যি জিলা ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰ আছে, সেই জিলা ন্যায়ালয়ক বুজায়, নাইবা

(খ) তেনে কোনো আবেদন পত্ৰ অনুসৰি যি ক্ষেত্ৰত এজন অভিভাৱক নিযুক্ত বা ঘোষিত কৰা হৈছে, সেই ক্ষেত্ৰত---

(i) যি ন্যায়ালয়ে বা যিজন পদাধিকাৰীৰ ন্যায়ালয়ে অভিভাৱক নিযুক্ত কৰিছিল বা ঘোষণা কৰিছিল নাইবা এই অধিনিয়মৰ অধীনত অভিভাৱক নিযুক্ত বা ঘোষিত কৰা হোৱা বুলি গণ্য কৰা হয়, সেই ন্যায়ালয়ক বুজায়; বা

(ii) প্ৰতিপাল্যজনৰ শৰীৰ সম্পৰ্কীয় কোনো বিষয়ত যি ঠাইত প্ৰতিপাল্যজন সাধাৰণতে তৎকালীন বাস কৰি থাকে, সেই ঠাইত ক্ষেত্ৰাধিকাৰ থকা জিলা ন্যায়ালয়ক বুজায়;

(গ) ৪ ক ধাৰা মতে হস্তান্তৰিত হোৱা কোনো কাৰ্যবাহী সম্বন্ধে যিজন পদাধিকাৰীলৈ তেনেকুৱা কাৰ্যবাহী হস্তান্তৰ কৰি দিয়া হৈছে সেই পদাধিকাৰীজনৰ ন্যায়ালয়ক বুজায়; ]

---

১। বৰ্ত্তমান চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ (১৯০৮ৰ ৫ নং) অধিনিয়ম চাওঁক।

২। ১৯২৬ চনৰ ৪ নং অধিনিয়মৰ ২ ধাৰাৰ দ্বাৰা ৫ নং মূলদফা টোৰ পৰিৱৰ্তে প্ৰতিষ্ঠাপিত।

(৬) 'সমাহৰ্তা' মানে কোনো এখন জিলাৰ ৰাজহ প্ৰশাসনৰ ভাৰপ্ৰাপ্ত মুখ্য পদাধিকাৰীজনক বুজায়, আৰু এনে কোনো পদাধিকাৰীক অন্তৰ্ভুক্ত কৰে যি পদাধিকাৰী-জনক ৰাজ্য চৰকাৰে চৰকাৰী ৰাজপত্ৰত দিয়া অধিসূচনাৰ দ্বাৰা তেওঁৰ নাম উল্লেখ কৰি নাইবা পদেন সমাহৰ্তা বুলি উল্লেখ কৰি এই অধিনিয়মৰ আটাইবোৰ বা যি-কোনো উদ্দেশ্য সাধনৰ বাবে কোনো এটা স্থানীয় অঞ্চলত বা কোনো এক শ্ৰেণীৰ ব্যক্তিবৰ্গৰ সম্বন্ধত সমাহৰ্তা ৰূপে নিযুক্তি দিয়ে;

[১](৭) xxx xxx xxx, আৰু

(৮) 'বিহিত' মানে এই অধিনিয়মৰ অধীনত উচ্চ ন্যায়ালয়ে প্ৰণয়ন কৰা নিয়মাৱলীৰ দ্বাৰা বিহিত বুজায়;

**অধীনস্থ ন্যায়িক পদাধিকাৰী সকলক ক্ষেত্ৰাধিকাৰ প্ৰদান আৰু তেনে পদা-ধিকাৰীসকললৈ কাৰ্যবাহীবোৰ হস্তান্তৰ কৰাৰ ক্ষমতা।**

[২][৪ ক। (১) উচ্চ ন্যায়ালয়ে সাধাৰণ বা বিশেষ আদেশৰদ্বাৰা যি-কোনো জিলা ন্যায়ালয়ৰ অধীনস্থ প্ৰাৰম্ভিক চিভিল ক্ষেত্ৰ-ধিকাৰ প্ৰয়োগ কৰা কোনো পদাধিকাৰীক এই ধাৰাৰ উপবন্ধসমূহৰ অধীনত তেনে পদাধিকাৰীলৈ হস্তান্তৰিত কৰা যিকোনো কাৰ্যবাহী এই অধিনিয়মৰ অধীনত নিষ্পত্তি কৰিবলৈ ক্ষমতা প্ৰদান কৰিব পাৰে বা যিকোনো জিলা ন্যায়ালয়ৰ ন্যায়াধীশজনক তেওঁৰ অধীনস্থ তেনে পদা ধিকাৰীক তেনে কাৰ্যবাহী নিষ্পত্তিৰ বাবে ক্ষমতা প্ৰদান কৰিবলৈ অধিকাৰ দিব পাৰে।

(২) কোনো জিলা ন্যায়ালয়ৰ ন্যায়াধীশজনে তেওঁৰ ন্যায়ালয়ত লম্বিত হৈ থকা এই অধিনিয়মৰ অধীনৰ কোনো কাৰ্যবাহী, সেই কাৰ্যবাহীৰ যিকোনো পৰ্যায়তে উপধাৰা (১)ৰ অধীনত ক্ষমতাপ্ৰাপ্ত তেওঁৰ অধীনস্থ যিকোনো পদাধিকাৰীলৈ নিষ্পত্তিৰ বাবে লিখিত আদেশৰ দ্বাৰা হস্তান্তৰিত কৰিব পাৰে।

(৩) কোনো জিলা ন্যায়ালয়ৰ ন্যায়াধীশজনে উপধাৰা (১)ৰ অধীনত ক্ষমতাপ্ৰাপ্ত তেনে কোনো পদাধিকাৰীৰ ন্যায়া-লয়ত লম্বিত হৈ থকা এই অধিনিয়মৰ অধীনৰ কোনো কাৰ্যবাহী, কাৰ্যবাহীটোৰ যিকোনো পৰ্যায়তে তেওঁৰ নিজৰ ন্যায়ালয়লৈ নাইবা তেওঁৰ অধীনস্থ তেনেকুৱা আন কোনো পদাধিকাৰীৰ ন্যায়ালয়লৈ হস্তান্তৰ কৰিব পাৰে।

(৪) য'ত অভিভাৱক এজন নিযুক্ত বা ঘোষিত কৰি দিয়া হৈছে, এনে কোনো ক্ষেত্ৰত যেতিয়া কোনো কাৰ্যবাহী এই ধাৰাৰ অধীনত হস্তান্তৰ কৰা হয়, জিলা ন্যায়ালয়ৰ ন্যায়াধীশজনে লিখিত আদেশৰ দ্বাৰা এনেদৰে ঘোষণা কৰিব পাৰে যে ন্যায়াধীশজনৰ ন্যায়ালয় নাইবা যি পদা-ধিকাৰীলৈ কাৰ্যবাহী হস্তান্তৰ কৰা হৈছে তেওঁৰ ন্যায়ালয় এই অধিনিয়মৰ আটাইবোৰ বা যিকোনোটো উদ্দেশ্য সাধনৰ বাবে অভিভাৱক জনক নিযুক্ত বা ঘোষণাকাৰী ন্যায়ালয় বুলি গণ্য কৰা হব।]

---

১। ১৯৫১ চনৰ ৩নং অধিনিয়মৰ ৩ ধাৰা আৰু অনুসূচীৰ দ্বাৰা খণ্ড (৭) লোপ কৰা হৈছে।

২। ১৯৩৬ চনৰ ৪ নং অধিনিয়মৰ ৩ ধাৰাৰ দ্বাৰা অন্তঃস্থাপিত।

# দ্বিতীয় অধ্যায়

## অভিভাৱকৰ নিযুক্তি আৰু ঘোষণা

৫। [ইউৰোপীয় বৃটিছ প্ৰজাবোৰৰ ক্ষেত্ৰত পিতা-মাতাৰ নিযুক্তি দিয়াৰ ক্ষমতা] ১৯৫১ চনৰ 'খ' ভাগৰ ৰাজ্যসমূহ (বিধি) অধিনিয়মৰ (১৯৫১ চনৰ ৩ নং অধিনিয়ম) ৩ ধাৰা আৰু অনুসূচীৰ দ্বাৰা নিৰসিত।

**আন আন ক্ষেত্ৰত নিযুক্তি দিয়া ক্ষমতাৰ ব্যাবৃত্তি।**

৬। কোনো এজন নাবালকৰ ক্ষেত্ৰত XXX এই অধিনিয়মত থকা কোনো কথাই নাবালকজন যি বিধিৰ অধীন সেই বিধিৰ দ্বাৰা মান্য তেওঁৰ শৰীৰৰ বা সম্পত্তিৰ নাইবা উভয়ৰ বাবে অভিভাৱক নিযুক্ত কৰা কোনো ক্ষমতা কাঢ়ি লোৱা বা অস্বীকৰণ কৰা বুলি অৰ্থ কৰা নহব।

**অভিভাৱকত্ব সম্বন্ধে ন্যায়ালয়ৰ আদেশ দিয়াৰ ক্ষমতা।**

৭। (১) যি ক্ষেত্ৰত ন্যায়ালয় এই বুলি পতিয়ন যায় যে কোনো এজন নাবালকৰ কল্যাণৰ অৰ্থে—

(ক) নাবালকজনৰ শৰীৰৰ বা সম্পত্তিৰ নাইবা উভয়ৰেই অভিভাৱক এজন নিযুক্ত কৰি, নাইবা

(খ) কোনো এজন ব্যক্তিক তেনেকুৱা অভিভাৱক বুলি ঘোষণা কৰি,

কোনো আদেশ দিয়া উচিত তেনে ক্ষেত্ৰত ন্যায়ালয়ে তদনুসাৰে আদেশ দিব পাৰে।

(২) যি অভিভাৱক কোনো ইচ্ছাপত্ৰৰ বা আন কোনো লেখ্যৰ দ্বাৰা নিযুক্ত হোৱা নাই অথবা ন্যায়ালয়ৰ দ্বাৰাও নিযুক্ত বা ঘোষিত হোৱা নাই, এই ধাৰাৰ অধীনত দিয়া কোনো আদেশে তেনে যিকোনো অভিভাৱকক অপসাৰণ কৰা বুলি বুজাব।

(৩) য'ত কোনো ইচ্ছাপত্ৰৰ বা আন কোনো লেখ্যৰ দ্বাৰা অভিভাৱক এজন নিযুক্ত কৰা হৈছে নাইবা ন্যায়ালয়ৰ দ্বাৰা নিযুক্ত বা ঘোষিত হৈছে, তেনে ক্ষেত্ৰত উপৰোক্ত ৰূপে নিযুক্ত বা ঘোষিত হোৱা অভিভাৱকজনৰ ক্ষমতাসমূহ এই অধিনিয়মৰ উপবন্ধসমূহৰ অধীনত অন্ত নোহোৱালৈকে তেওঁৰ সলনি আন কোনো ব্যক্তিক এই ধাৰাৰ অধীনত অভিভাৱক ৰূপে নিযুক্ত কৰা বা ঘোষণা কৰা বুলি আদেশ নিদিব।

**আদেশৰ বাবে আবেদন কৰিবলৈ হক্‌দাৰ ব্যক্তি সকল।**

৮। অন্তিম পূৰ্ববৰ্তী ধাৰাৰ অধীনত কোনো আদেশ নিম্নলিখিত সকলৰ আবেদন পত্ৰ ব্যতিৰেকে দিয়া নহব:—

(ক) নাবালকজনৰ অভিভাৱক হবলৈ ইচ্ছা কৰা বা দাবী কৰা ব্যক্তিৰ, বা

(খ) নাবালকজনৰ কোনো আত্মীয় বা বন্ধুৰ, বা

(গ) যিখন জিলাত বা যিটো স্থানীয় অঞ্চলত নাবালকজন সাধাৰণতে বাস কৰি থাকে বা তেওঁৰ সম্পত্তি আছে, সেই জিলাখনৰ বা সেই স্থানীয় অঞ্চলটোৰ সমাহৰ্তাজনৰ, বা

(ঘ) নাবালকজন যি শ্ৰেণীৰ মানুহ সেই শ্ৰেণীটোৰ সম্বন্ধত প্ৰাধিকাৰ থকা সমাহৰ্তাজনৰ।

---

১। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা "যি এজন ইউৰোপীয় বৃটিছ প্ৰজা নহয়" কথাখাৰ লোপ কৰা হৈছে।

আবেদন পত্র গ্ৰহণ কৰিবলৈ ক্ষেত্ৰাধিকাৰ থকা ন্যায়ালয়।

৯। (১) যদি আবেদনপত্ৰখন নাবালকজনৰ শৰীৰৰ অভিভাৱকত্ব সম্বন্ধীয় হয়, তেন্তে সেইখন নাবালকজন যি ঠাইত সাধাৰণতে বাস কৰে সেই ঠাইত ক্ষেত্ৰাধিকাৰ থকা জিলা ন্যায়ালয়ত দাখিল কৰিব লাগিব।

(২) যদি আবেদনপত্ৰখন নাবালকজনৰ সম্পত্তিৰ অভিভাৱকত্ব সম্বন্ধীয় হয়, তেন্তে সেইখন নাবালকজন যি ঠাইত সাধাৰণতে বাস কৰে সেই ঠাইত ক্ষেত্ৰাধিকাৰ থকা জিলা ন্যায়ালয়ত দাখিল কৰিব পাৰে অথবা এনে এখন জিলা ন্যায়ালয়ত দাখিল কৰিব পাৰে যাৰ নাবালকজনৰ সম্পত্তি থকা ঠাইত ক্ষেত্ৰাধিকাৰ থাকে।

(৩) যদি নাবালকজনৰ সম্পত্তিৰ অভিভাৱকত্ব সম্বন্ধীয় আবেদনপত্ৰ যি ঠাইত নাবালকজন সাধাৰণতে বাস কৰে, সেই ঠাইত ক্ষেত্ৰাধিকাৰ থকা জিলা ন্যায়ালয়ত দাখিল নকৰি আন জিলা ন্যায়ালয়ত দাখিল কৰা হয়, তেন্তে সেই আবেদনপত্ৰখন সম্বন্ধে ন্যায়ালয়ে যদি এনে অভিমত দিয়ে যে ক্ষেত্ৰাধিকাৰ থকা আন কোনো জিলা ন্যায়ালয়ত সেই আবেদন পত্ৰখন ন্যায়সঙ্গতৰূপে বা সুবিধাজনক ভাৱে নিষ্পত্তি হব পাৰে, তেতিয়াহলে সেই আদালতে আবেদন পত্ৰখন ঘূৰাই দিব পাৰে।

আবেদনৰ প্ৰপত্ৰ।

১০। (১) যদি আবেদন পত্ৰখন সমাহৰ্তাৰ দ্বাৰা দিয়া নহয়, তেন্তে বাদপত্ৰত হস্তাক্ষৰ আৰু সত্যাপন কৰিবৰ বাবে ক'ড অফ চিভিল প্ৰচিডীয়াৰৰ [1] দ্বাৰা বিহিত যি ৰীতি সেই ৰীতিৰে হস্তাক্ষৰিত আৰু সত্যাপিত আৰ্জিৰ দ্বাৰা কৰিব লাগিব আৰু যিমানদূৰ অভিনিশ্চিত কৰিব পৰা যায় সিমানদূৰ নিম্নলিখিত বিৱৰণ আৰ্জিখনত দিব লাগিব ঃ— ১৮৮২ চনৰ ১৪ নং

(ক) নাবালকৰ নাম, লিংগ, ধৰ্ম, জন্মৰ তাৰিখ আৰু সাধাৰণ বাসস্থান;

(খ) যি ক্ষেত্ৰত নাবালক নাৰী হয়, তেনে ক্ষেত্ৰত তেওঁ বিবাহিতা হয় নে নহয়, আৰু যদি বিবাহিতা হয় তেন্তে স্বামীৰ নাম আৰু বয়স;

(গ) নাবালকৰ যদি কোনো সম্পত্তি থাকে সেই সম্পত্তিৰ প্ৰকৃতি, অৱস্থান আৰু আনুমানিক মূল্য;

(ঘ) নাবালকৰ শৰীৰৰ বা সম্পত্তিৰ অভিৰক্ষাত থকা বা দখলত থকা ব্যক্তিজনৰ নাম আৰু বাসস্থান;

(ঙ) নাবালকৰ নিকট সম্বন্ধীয় কোন কোন আছে আৰু তেওঁলোক ক'ত বাস কৰে;

(চ) নাবালক যি বিধিৰ অধীন সেই বিধিৰ দ্বাৰা তেনে নিযুক্তি দিবলৈ অধিকাৰ থকা বা অধিকাৰী হোৱা বুলি দাবী কৰা কোনো ব্যক্তিৰ দ্বাৰা নাবালকৰ শৰীৰৰ বা সম্পত্তিৰ নাইবা উভয়ৰে কোনো এজন অভিভাৱক নিযুক্ত কৰা হৈছে নে নাই;

(ছ) নাবালকৰ শৰীৰৰ বা সম্পত্তিৰ নাইবা উভয়ৰে অভিভাৱকত্ব সম্বন্ধে সেই ন্যায়ালয়ত নাইবা আন কোনো ন্যায়ালয়ত কোনো সময়ত আবেদন পত্ৰ দাখিল কৰা হৈছে নে নাই, আৰু যদি হৈছে কেতিয়া কোন ন্যায়ালয়ত হৈছে আৰু তাৰ ফলাফল কি;

১। বৰ্তমান চিভিল প্ৰকৃিয়া সংহিতা, ১৯০৮ (১৯০৮ চনৰ ৫ নং) চাওঁক।

(জ) আবেদন পত্ৰখন নাবালকৰ শৰীৰৰ অভিভাৱক নিযুক্ত বা ঘোষিত কৰিবৰ বাবে কৰা হৈছেনে তেওঁৰ সম্পত্তিৰ বা উভয়ৰেই অভিভাৱক নিযুক্ত বা ঘোষিত কৰিবৰ বাবে কৰা হৈছে;

(ঝ) যি ক্ষেত্ৰত আবেদন পত্ৰখন অভিভাৱক এজন নিযুক্ত কৰিবলৈ কৰা হয়, তেনে ক্ষেত্ৰত প্ৰস্তাৱিত অভিভাৱকজনৰ যোগ্যতাবোৰ;

(ঞ) যি ক্ষেত্ৰত আবেদন পত্ৰখন কোনো ব্যক্তিক অভিভাৱক বুলি ঘোষণা কৰিবলৈ কৰা হয়, তেনে ক্ষেত্ৰত যি আধাৰৰ ওপৰত নিৰ্ভৰ কৰি সেই ব্যক্তিজনে অভিভাৱক হবলৈ দাবী কৰে সেই আধাৰবোৰ ;

(ট) আবেদন পত্ৰখন দাখিল কৰিবলৈ প্ৰেৰণা দিয়া কাৰণবোৰ; আৰু

(১) বিহিত হ'ব পৰা নাইবা আবেদন পত্ৰখনৰ প্ৰকৃতিৰ বাবে বৰ্ণনা দিবলৈ প্ৰয়োজন হোৱা আন তেনেকুৱা, যদি কিবা থাকে, বিশেষ বিৱৰণ।

(২) যদি আবেদন পত্ৰখন সমাহৰ্তাৰ দ্বাৰা দিয়া হয়, তেন্তে ন্যায়ালয়ক সম্বোধন কৰি লিখা পত্ৰৰ দ্বাৰা দিব লাগিব আৰু ডাক যোগে নাইবা যি প্ৰকাৰে সুবিধাজনক হোৱা বুলি ভাবে, তেনে আন কোনো প্ৰকাৰে পত্ৰখন প্ৰেৰণ কৰিব আৰু (১) উপধাৰাত উল্লেখ কৰা সবিশেষ বিৱৰণ-বোৰ যিমানদুৰ সম্ভৱ হয় বৰ্ণনা কৰিব।

(৩) প্ৰস্তাৱিত অভিভাৱকজনৰ অভিভাৱক ৰূপে কাৰ্য কৰা ইচ্ছাৰ বিষয়ে এক ঘোষণা আবেদন পত্ৰখনৰ লগত থাকিব লাগিব, আৰু সেই ঘোষণাটো তেওঁৰ দ্বাৰা স্বাক্ষৰিত হব লাগিব আৰু অন্ততঃ দুজন সাক্ষীৰ দ্বাৰা অনুপ্ৰমাণিত হব লাগিব।

**আবেদনপত্ৰ গ্ৰহণ কৰণত অৱলম্বনীয় প্ৰক্ৰিয়া।**

১১। (১)যদি ন্যায়ালয় এই বুলি পতিয়ন যায় যে আবেদনৰ ওপৰত কাৰ্যবাহী কৰিবৰ বাবে আধাৰ আছে তেন্তে ন্যায়ালয়ে আবেদনখন শুনানিৰ বাবে দিন এটা ধাৰ্য কৰিব আৰু আবেদনৰ আৰু শুনানিৰ বাবে নিৰ্দ্ধাৰণ কৰা তাৰিখটোৰ সূচনা —

(ক) ক'ড অফ্ চিভিল প্ৰচিডীয়াৰত[১] যি প্ৰকাৰে আছে, সেই প্ৰকাৰে (তলত লিখা ব্যক্তিবোৰৰ ওপৰত) জাৰি কৰিবলৈ দিয়াব ঃ- ১৮৮২ চনৰ ১৪ নং

(i) নাবালকৰ পিতা মাতাৰ ওপৰত, যদি তেওঁলোকে [২][এই অধিনিয়মখন বিস্তৃত থকা কোনো ৰাজ্যত] বাস কৰি আছে,

(ii) নাবালকৰ শৰীৰৰ বা সম্পত্তিৰ অভিৰক্ষা বা দখল থকা বুলি কোনো ব্যক্তিৰ নাম আৰ্জিখনত বা পত্ৰখনত দিয়া থাকিলে তেনে ব্যক্তিজনৰ ওপৰত ;

---

১। বৰ্তমান চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ (১৯০৮ৰ ৫ নং) চাওঁক।

২। ১৯৫১ চনৰ অধিনিয়ম নং ৩ৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা 'ক' খণ্ডৰ ৰাজ্য এখন আৰু 'খ' খণ্ডৰ ৰাজ্য এখনৰ" পৰিৱৰ্তে প্ৰতিষ্ঠাপিত।

(iii) তেওঁ নিজেই দৰ্খাস্তকাৰী নহলে, যিজন ব্যক্তিক অভিভাৱক নিযুক্ত বা ঘোষিত কৰিবলৈ আবেদন পত্ৰখনত নাইবা পত্ৰখনত প্ৰস্তাৱ দিয়া হয়, সেইজন ব্যক্তিৰ ওপৰত; আৰু

(iv) ন্যায়ালয়ৰ ৰায় মতে যাৰ ওপৰত আবেদন পত্ৰখনৰ বিশেষ জাননী দিয়া উচিত, তেনে আন কোনো ব্যক্তিৰ ওপৰত; আৰু

(খ) সেই জাননীখন ন্যায়ালয় ভৱনৰ আৰু নাবালকৰ বাসস্থানৰ সকলোৰে চকুত পৰা কোনো অংশত লগাই থব লাগিব আৰু এই অধিনিয়মৰ অধীনত উচ্চ ন্যায়ালয়ে প্ৰণয়ন কৰা নিয়মাৱলী সাপেক্ষে ন্যায়ালয়ে যেনেদৰে উপযুক্ত বুলি ভাবে তেনেদৰে আন প্ৰকাৰেও প্ৰকাশিত কৰিব।

(২) ৰাজ্য চৰকাৰে সাধাৰণ নাইবা বিশেষ আদেশৰ দ্বাৰা এইটো বিচাৰিব পাৰে যে যেতিয়া ১০ ধাৰাৰ (১) উপধাৰা মতে দিয়া আৰ্জি এখনত বৰ্ণিত সম্পত্তিটোৰ কোনো অংশ এনে কোনো ভূমি হয় যি ভূমি খণ্ডৰ অধীক্ষণ কাৰ্য কোনো এটা প্ৰতিপাল্য অধিকৰণ গ্ৰহণ কৰিব পাৰে, তেতিয়া ন্যায়ালয়ে যি সমাহৰ্তাজনৰ জিলাত নাবালকজনে সাধাৰণতে বাস কৰে সেই সমাহৰ্তাজনৰ ওপৰত আৰু সেই ভূমিৰ যি কোনো অংশ যি সমাহৰ্তাৰ জিলাৰ ভিতৰত অৱস্থিত তেনে প্ৰতিজন সমাহৰ্তাৰ ওপৰতো পূৰ্বোক্ত জাননী জাৰি কৰাব লাগিব আৰু সমাহৰ্তাজনে যেনেকুৱা উপযুক্ত বিবেচনা কৰে তেনেকুৱাকৈ সেই জাননী প্ৰকাশিত কৰাব পাৰে।

(৩) উপধাৰা (২) ৰ অধীনত জাৰি কৰা বা প্ৰকাশ কৰা কোনো জাননীৰ জাৰিব বা প্ৰকাশৰ বাবে ন্যায়ালয়ে বা সমাহৰ্তাজনে কোনো প্ৰভাৰ লগাব নোৱাৰিব।

নাবালকক হাজিৰ কৰাই দিবৰ বাবে আৰু নাবালকৰ শৰীৰ আৰু সম্পত্তিৰ অন্তঃকালীন ৰক্ষণাবেক্ষণৰ বাবে অন্তৰ্বৰ্তী আদেশ দিয়াৰ ক্ষমতা।

১২। (১) ন্যায়ালয়ে নিৰ্দেশ দিব পাৰে যে নাবালকজনৰ অভিৰক্ষা প্ৰাপ্ত যদি কোনো ব্যক্তি থাকে তেন্তে সেই ব্যক্তিজনে ন্যায়ালয়ে নিৰ্দিষ্ট কৰি দিয়া তেনে কোনো ঠাইত আৰু সময়ত আৰু তেনে কোনো ব্যক্তিৰ আগত নাবালকজনক হাজিৰ কৰিব বা কৰাব, আৰু ন্যায়ালয়ে যেনেদৰে উচিত বুলি ভাবে তেনেদৰে নাবালকজনৰ শৰীৰৰ বা সম্পত্তিৰ অস্থায়ী অভিৰক্ষাৰ আৰু ৰক্ষনা-বেক্ষনৰ বাবেও তদনুৰূপ আদেশ দিব পাৰে।

(২) যদি নাবালক কোনো নাৰী হয় যাক লোক-সমক্ষে হাজিৰ কৰিবলৈ বাধ্য কৰা অনুচিত তেন্তে উপধাৰা (১) মতে তেওঁক হাজিৰ কৰিব দিয়া নিৰ্দেশটোৰে দেশপ্ৰথা আৰু ৰীতি অনযায়ী তেওঁক হাজিৰ কৰাবলৈ নিৰ্দেশ দিব।

(৩) এই ধাৰাটোত থকা কোনো কথাই ঃ---

(ক) নাবালিকাৰ মাক-বাপেক, যদি থাকে, তেওঁলোকৰ সম্মতিক্ৰমে তেওঁ ইতিপূৰ্বেই স্বামীৰ অভিৰক্ষাত নাথাকিলে, সেই নাবালিকাৰ স্বামী হোৱাৰ ভিত্তিত তেওঁৰ অভিভাৱক বুলি কোনোবা ব্যক্তিয়ে দাবী কৰিলে সেইজন ব্যক্তিৰ অস্থায়ী অভিৰক্ষাত তেওঁক ৰাখিবলৈ ন্যায়ালয়াক প্ৰাধিকাৰ নিদিব, অথবা

(খ) যাৰ ওপৰত নাবালকৰ সম্পত্তিৰ অস্থায়ী অভিৰক্ষাৰ আৰু ৰক্ষণাবেক্ষণৰ ভাৰ ন্যস্ত কৰা হৈছে তেনে ব্যক্তিক বিধিৰ সম্যক ব্যৱস্থা অৱলম্বন নকৰাকৈ তেনে যিকোনো সম্পত্তি দখল কৰি থকা কোনো ব্যক্তিক দখলচ্যুত কৰিবৰ বাবে প্ৰাধিকাৰ নিদিব।

আদেশ দিয়াৰ পূৰ্বে সাক্ষ্যৰ শুনানি।

১৩। আবেদন শুনানিৰ বাবে ধাৰ্য কৰা দিনটোত নাইবা তাৰ পিচত যিমান শীঘ্ৰে হ'ব পাৰে, আবেদন পত্ৰখনৰ সপক্ষে বা বিপক্ষে যেনেকুৱা সাক্ষ্য দিয়া হয়, তেনেকুৱা সাক্ষ্য ন্যায়ালয়ে শুনিব লাগিব।

ভিন ভিন ন্যায়ালয়ত একে সময়তে উপস্থাপিত কাৰ্যবাহীবোৰ।

১৪। (১) কোনো নাবালকৰ অভিভাৱক এজন নিযুক্ত বা ঘোষণা কৰিবৰ বাবে যদি একাধিক ন্যায়ালয়ত কাৰ্যবাহী কৰা হয় তেন্তে তেনে ন্যায়ালয় সমূহৰ প্ৰতিখন ন্যায়ালয়ে আনখন বা আন আন ন্যায়ালয়ত বিচাৰৰ নিমিত্তে উপস্থাপিত কৰা তেনেকুৱা কাৰ্যবাহীৰ বিষয়ে অৱগত হোৱাৰ পিচত নিজ ন্যায়ালয়ত উপস্থাপিত কাৰ্যবাহী স্থগিত ৰাখিব।

(২) যদি দুয়োখন নাইবা আটাইবোৰ ন্যায়ালয় একেখন উচ্চ ন্যায়ালয়ৰ অধীন হয় তেনেহলে তেওঁলোকে উচ্চ ন্যায়ালয়লৈ গোচৰৰ প্ৰতিবেদন পঠাব, আৰু উচ্চ ন্যায়ালয়ে সেই ন্যায়ালয় সমূহৰ কোনখনে নাবালকৰ অভিভাৱক নিযুক্তি বা ঘোষণা সম্বন্ধীয় কাৰ্যবাহীৰ শুনানি লব সেইটো অৱধাৰিত কৰিব।

[1][(৩) উপধাৰা (১)ৰ অধীনত কাৰ্যবাহী স্থগিত ৰখা আন যিকোনো ক্ষেত্ৰত ন্যায়ালয়সমূহে নিজৰ নিজৰ ৰাজ্য চৰকাৰলৈ গোচৰৰ প্ৰতিবেদন পঠাব আৰু ৰাজ্য চৰকাৰৰ পৰা যেনেকুৱা আদেশ পায় তেনেকুৱা আদেশৰ দ্বাৰা পৰিচালিত হব।]

কেইবাজনো অভিভাৱকৰ নিযুক্তি বা ঘোষণা।

১৫। (১) নাবালকজন যি বিধিৰ অধীন হয় সেই বিধি অনুসৰি শৰীৰৰ বা সম্পত্তিৰ নাইবা উভয়ৰে বাবে দুজন বা ততোধিক যুটীয়া অভিভাৱক থকাটো স্বীকৃত হয় তেনেহলে ন্যায়ালয়ে উপযুক্ত বুলি ভাবিলে দুজন বা ততোধিক অভিভাৱক নিযুক্তি দিব বা ঘোষণা কৰিব পাৰে।

[2][ XXX XXX XXX ]

(৪) নাবালকৰ শৰীৰৰ আৰু তেওঁৰ সম্পত্তিৰ বাবে বেলেগ বেলেগ অভিভাৱক নিযুক্ত বা ঘোষণা কৰিব পাৰে।

(৫) যদি কোনো নাবালকৰ কেইবাটাও সম্পত্তি থাকে তেনেহলে ন্যায়ালয়ে উপযুক্ত বুলি ভাবিলে তেনেবোৰ সম্পত্তিৰ এটা বা একাধিকৰ বাবে একোজনকৈ সুকীয়া অভিভাৱক নিযুক্ত বা ঘোষণা কৰিব পাৰে।

ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰৰ বাহিৰত থকা সম্পত্তিৰ বাবে অভিভাৱক নিযুক্তি বা ঘোষণা।

১৬। ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰৰ স্থানীয় সীমাৰ বাহিৰত অৱস্থিত কোনো সম্পত্তিৰ বাবে যদি ন্যায়ালয়ে কোনো এজন অভিভাৱক নিযুক্ত বা ঘোষণা কৰে তেন্তে অভিভাৱকজনক নিযুক্ত বা ঘোষণা কৰা আদেশটোৰ এক প্ৰমাণিত প্ৰতিলিপি দাখিল কৰিলে সেই সম্পত্তিটো যি ঠাইত অৱস্থিত সেই ঠাইত ক্ষেত্ৰাধিকাৰ থকা ন্যায়ালয়খনে সেইজন অভিভাৱককেই যথাৰ্থৰূপে নিযুক্ত বা ঘোষিত হোৱা অভিভাৱক বুলি স্বীকৃতি দিব আৰু সেই আদেশ প্ৰভাৱশীল কৰিব।

অভিভাৱক নিযুক্ত কৰোতে ন্যায়ালয়ে বিবেচনা কৰিবলগীয়া বিষয়বোৰ।

১৭। (১) কোনো এজন নাবালকৰ অভিভাৱক নিযুক্ত বা ঘোষণা কৰোতে, নাবালকজন যি বিধিৰ অধীন হয় সেই বিধিৰ লগত সঙ্গতি ৰাখি ন্যায়ালয়খনে এই ধাৰাটোৰ উপবন্ধবোৰৰ সাপেক্ষে সেই পৰিস্থিতিত যিদৰে কৰিলে নাবালকজনৰ কল্যাণৰ নিমিত্তে কৰা বুলি প্ৰতীত হয়, সেইদৰে পৰিচালিত হব।

---

১। ১৯৩৭ চনৰ অনুকূলন আদেশৰ দ্বাৰা মূল (৩) উপধাৰাৰ বাবে প্ৰতিষ্ঠাপিত।

২। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ৩ ধাৰা আৰু অনুসূচীৰ দ্বাৰা (২) আৰু (৩) উপধাৰা দুটা লোপ কৰা হৈছে।

(২) কি কৰিলে নাবালকজনৰ কল্যাণৰ নিমিত্তে কাম কৰা হয়, সেইটো বিবেচনা কৰোতে ন্যায়ালয়খনে নাবালকৰ বয়স, লিংগ আৰু ধৰ্ম, প্ৰস্তাৱিত অভিভাৱকজনৰ স্বভাৱ-চৰিত্ৰ আৰু সামৰ্থ্য আৰু নাবালকৰ সৈতে ৰক্ত সম্বন্ধত তেওঁৰ নিকটতা, নাবালকৰ মৃত পিতা বা মাতা কোনো এজনৰ কিবা ইচ্ছা থাকিলে সেই ইচ্ছা আৰু নাবালকৰ লগত বা নাবালকৰ সম্পত্তিৰ লগত প্ৰস্তাৱিত অভিভাৱকজনৰ বৰ্ত্তমান বা পূৰ্ববৰ্তী সম্বন্ধৰ প্ৰতি দৃষ্টি ৰাখিব লাগিব।

(৩) বুদ্ধিমত্তাৰে অগ্ৰাধিকাৰ গঠন কৰিবৰ বাবে নাবালকজনৰ যদি যথেষ্ট বয়স হৈছে, তেন্তে ন্যায়ালয়ে সেই অগ্ৰাধিকাৰটো বিবেচনা কৰি চাব পাৰে।

[1] [ xxx xxx xxx ]

(৫) কোনো ব্যক্তিক তেওঁৰ ইচ্ছাৰ বিৰুদ্ধে ন্যায়ালয়ে অভিভাৱক নিযুক্ত বা ঘোষণা নকৰিব।

সমাহৰ্তা পদৰ আধাৰত অভিভাৱকজনক নিযুক্ত বা ঘোষণা।

১৮। যি ক্ষেত্ৰত সমাহৰ্তা এজনক তেওঁৰ পদৰ আধাৰত ন্যায়ালয়ে কোনো নাবালকৰ শৰীৰৰ বা সম্পত্তিৰ নাইবা উভয়ৰে অভিভাৱক ৰূপে নিযুক্তি দিয়ে বা ঘোষিত কৰে, তেনে নিযুক্তি দিয়া বা ঘোষণা কৰা আদেশটোৰে সেই পদটো তৎকালীন অধিকাৰ কৰি থকা ব্যক্তিজনক সেই নাবালকজনৰ, যথাস্থিতি, শৰীৰৰ বা সম্পত্তিৰ নাইবা উভয়ৰে অভিভাৱক ৰূপে কাম কৰিবলৈ প্ৰাধিকাৰ দিয়া আৰু অপেক্ষিত কৰা বুলি গণ্য কৰা হব।

**কোনো কোনো ক্ষেত্ৰত ন্যায়ালয়ৰ দ্বাৰা অভিভাৱক নিযুক্ত কৰিব লগা নহয়।**

১৯। এই অধ্যায়ৰ কোনো কথাই নাবালকৰ যি সম্পত্তি কোনো এটা প্ৰতিপাল্য অধিকৰণৰ অধীক্ষণত ৰখা হৈছে, তেনে কোনো সম্পত্তিৰ অভিভাৱক নিযুক্ত কৰিবৰ বা ঘোষণা কৰিবৰ বাবে ন্যায়ালয়ক প্ৰাধিকাৰ নিদিব, অথবা

(ক) এনে নাবালকৰ যি এজনী বিবাহিতা নাৰী হয় আৰু তেওঁৰ স্বামী ন্যায়ালয়ৰ ৰায়মতে তেওঁৰ শৰীৰৰ অভিভাৱক হবলৈ অনুপযুক্ত নহয়, বা

(খ) [2] [ xxx xxx ] এনে নাবালকৰ যাৰ পিতৃ জীৱিত আৰু ন্যায়ালয়ৰ ৰায়মতে তেওঁ নাবালকৰ শৰীৰৰ অভিভাৱক হবলৈ অনুপযুক্ত নহয়, বা

(গ) এনে নাবালকৰ যাৰ সম্পত্তিটো তেওঁৰ শৰীৰৰ অভিভাৱক নিযুক্ত কৰিবলৈ সক্ষম হোৱা কোনো এটা প্ৰতিপাল্য অধিকৰণৰ অধীক্ষণাধীন হৈ আছে,

তেনে নাবালকৰ শৰীৰৰ অভিভাৱক নিযুক্ত বা ঘোষিত কৰিবলৈ ন্যায়ালয়ক প্ৰাধিকাৰ নিদিব।

---

১। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ৩ ধাৰা আৰু অনুসূচীৰ দ্বাৰা (৪) উপধাৰাটো লোপ কৰা হৈছে।

২। ১৯৫১ চনৰ ৩ নং অধিনিয়মৰ ৩ ধাৰা আৰু অনুসূচীৰ দ্বাৰা "ইউৰোপীয় বৃটিছ প্ৰজাবোৰ সম্বন্ধে এই অধিনিয়মৰ উপবন্ধবোৰ সাপেক্ষে" কথাখিনি লোপ কৰা হৈছে।